NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-08-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। সমগ্ৰ দেশতে আজি ৭৮ সংখ্যক স্বাধীনতা দিৱস পালন কৰা হৈছে।

২ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অৰ্ধপৰিবাহীৰ উৎপাদনৰ ক্ষেত্ৰত বিশ্বৰ অগ্ৰণী স্থানত উপনিত হোৱা, আমদানিৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰা আৰু প্ৰযুক্তি খণ্ডত আত্মনিৰ্ভৰ হৈ উঠাৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতি বদ্ধতাৰ কথা প্ৰকাশ কৰিছে।

৩। প্ৰধানমন্ত্ৰীয়ে মহিলাৰ বিৰুদ্ধে সংঘটিত হিংসা আৰু অপৰাধৰ ঘটনাক লৈ উদ্বেগ প্ৰকাশ কৰি কয় যে এনে ঘটনাৰ ষড়যন্ত্ৰকাৰীসকলক শীঘ্ৰে শাস্তি প্ৰদান কৰা উচিত।

*আৰু*

৪। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ দপ্তৰৰ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় কীটনাশক তদাৰকী ব্যৱস্থা মুকলি কৰে।

০০০০০০০

সমগ্ৰ দেশতে আজি ৭৮ সংখ্যক স্বাধীনতা দিৱস পালন কৰা হৈছে। এই উপলক্ষে আজি পুৱা ঐতিহাসিক লালকীল্লাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি ৰাষ্ট্ৰক উদ্দশ্যি ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অৰ্ধপৰিবাহীৰ উৎপাদনৰ ক্ষেত্ৰত বিশ্বৰ অগ্ৰণী স্থানত উপনিত হোৱা, আমদানিৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰা আৰু প্ৰযুক্তি খণ্ডত আত্মনিৰ্ভৰ হৈ উঠাৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতি বদ্ধতাৰ কথা উল্লেখ কৰে। দেশৰ বিকাশক ৰূপ দিয়াৰ উদ্দেশ্যে ভৱিষ্যমুখী লক্ষ্যৰ বিষয়ে প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে নিৰ্মাণ, গেমিং আৰু ডিজাইনিঙকে ধৰি বিভিন্ন ক্ষেত্ৰত দেশক বিশ্বৰ নেতা ৰূপে প্ৰতিষ্ঠা কৰাৰ বাবে উদ্ভাৱনৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে, দেশৰ ১৪০ কোটি জনতাই দৃঢ় সংকল্পৰে একেলগে আগবাঢ়িলে সকলো প্ৰত্যাহ্বানক নেওচি ভাৰত ২০৪৭ চনৰ ভিতৰত উন্নত ৰাষ্ট্ৰ পৰিণত হ'ব। প্ৰধানমন্ত্ৰীয়ে কয় যে, উচ্চ শিক্ষা আৰু গৱেষণাৰ প্ৰসাৰৰ জৰিয়তে ভাৰতবৰ্ষক শিক্ষাৰ গোলকীয় কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে প্ৰাচীন নালন্দ বিশ্ববিদ্যালয়ৰ ভাবনা পুনৰ জগাই তুলিব লাগিব। ২০২৪ বৰ্ষৰ বাজেটৰ কথাও উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে দেশৰ যুৱ প্ৰজন্মৰ প্ৰশিক্ষণৰ বাবে আৰু দেশক বিশ্বৰ দক্ষতাৰ ৰাজধানী হিচাপে গঢ়ি তোলাৰ বাবে চৰকাৰে ঘোষণা কৰা বিভিন্ন ঐতিহাসিক উদ্যমৰ ওপৰত আলোকপাত কৰে। তেওঁ কয় যে, ভাৰতে গেমিং ক্ষেত্ৰত দেশতে নিৰ্মিত সামগ্ৰীৰে বিপ্লৱৰ সূচনা কৰাৰ বাবে দেশৰ চহকী প্ৰাচীন ঐতিহ্য আৰু জ্ঞানৰ ব্যৱহাৰ কৰা উচিত। ভাৰতে জীৱনধাৰণ সুচল কৰি তোলাৰ বাবে যুদ্ধকালীন তৎপৰতাৰে কাম কৰি আছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ প্ৰণালীবদ্ধ মূল্যায়ন আৰু আন্তঃগাঁথনি তথা সেৱাৰ উন্নয়নেৰে নগৰাঞ্চলত জীৱন ধাৰণৰ মান উন্নত কৰাৰ কথা প্ৰকাশ কৰে। তেওঁ লগতে জলবায়ু পৰিৱৰ্তনৰ বিৰুপ প্ৰভাবৰ সন্মুখীন হোৱাৰ বাবে সেউজ

কৰ্মসংস্থাপনৰ গুৰুত্বত আলোকপাত কৰে। দেশে সম্প্ৰতি সেউজ বিকাশ আৰু সেউজ কৰ্মসংস্থাপনত গুৰুত্ব আৰোপ কৰি শ্ৰী মোদীয়ে বিশেষকৈ অৰাজনৈতিক পৃষ্ঠভূমিৰ এক লাখ যুৱক-যুৱতী ৰাজনৈতিক প্ৰণালী অন্তৰ্ভুক্ত কৰাত জোৰ দিয়ে। স্বজন-তোষণ আৰু জাতিবাদৰ বিভিষিকাৰ বিৰুদ্ধে যুঁজ দিয়া আৰু ভাৰতীয় ৰাজনীতিত নতুন লোকৰ অন্তৰ্ভুক্তিৰ উদ্দেশ্যে এই পদক্ষেপ লোৱা হৈছে বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, তেওঁৰ চৰকাৰে ৰাষ্ট্ৰ প্ৰথম নীতিৰে ভালমান সংস্কাৰৰ সূচনা কৰিছে। শ্ৰী মোদীয়ে কয় যে, তেওঁৰ চৰকাৰৰ ভোকেল ফৰ লোকেল মন্ত্ৰ দেশৰ অৰ্থব্যৱস্থাৰ বিকাশৰ মন্ত্ৰ হৈ পৰিছে। এখন জিলা এবিধ সামগ্ৰীৰ মন্ত্ৰ জনসাধাৰণৰ মাজত অতিকৈ জনপ্ৰিয় হৈছে বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে  কয় যে, পৰ্যটন, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগেই হওক বা শিক্ষা, স্বাস্থ্য, পৰিবহণ, কৃষি অথবা অন্য ক্ষেত্ৰই হওক সকলো ক্ষেত্ৰতেই অত্যাধুনিক ব্যৱস্থা গঢ়ি তোলা হৈছে। তেওঁ কয় যে, ভাৰতে সকলো ক্ষেত্ৰত বিশ্ব শ্ৰেষ্ঠ পদ্ধতিসমূহ অন্তৰ্ভুক্ত কৰি আগবাঢ়িব খোজে। চৰকাৰে নিজৰ নীতিৰ বাবে সকলো ক্ষেত্ৰত জন সমৰ্থন লাভ কৰিবলৈ সমৰ্থ হৈছে বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে। তেওঁ কয় যে, বেংকিং খণ্ডক সুদৃঢ় কৰি তোলাৰ বাবে ভালেমান সংস্কাৰ গ্ৰহণ কৰা হৈছে আৰু এনে সংস্কাৰৰ বাবে ভাৰতীয় বেংকসমূহে বিশ্বৰ অগ্ৰণী বেংকসমূহৰ মাজত স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। তেওঁ কয় যে, বেংকসমূহ শক্তিশালী হ'লে আনুষ্ঠানিক অৰ্থব্যৱস্থাৰ শক্তিও বৃদ্ধি পায়। মহাকাশ খণ্ডত ভালে সংখ্যক ষ্টাৰ্টআপ উদ্যমে আত্মপ্ৰকাশ কৰিছে বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয় যে, ভাৰতবৰ্ষক শক্তিশালী ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত মহাকাশ খণ্ড এটা অত্যাৱশ্যকীয় উপাদানৰূপে পৰিগণিত হ'ব পাৰে। চৰকাৰে মহাকাশ খণ্ডক শক্তিশালী কৰি তোলাত গুৰুত্ব আৰোপ কৰি আহিছে বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰী মোদীয়ে কয় যে, এসময়ত সন্ত্ৰাসবাদী আক্ৰমণৰ বলী হোৱা ভাৰতবৰ্ষ সম্প্ৰতি সাহসী আৰু শক্তিশালী হৈ উঠিছে। দেশৰ সশস্ত্ৰ বাহিনীয়ে চলোৱা চাৰ্জিকেল ষ্ট্ৰাইক আৰু বিমান আক্ৰমণক লৈ প্ৰতিগৰাকী ভাৰতীয় গৌৰৱান্বিত বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, স্বাধীনতাৰ পাছত জনসাধাৰণে যিকোনো সহায়ৰ বাবে চৰকাৰৰ ওচৰত হাত পাতিবলগীয়া হৈছিল কিন্তু তেওঁৰ চৰকাৰে শাসনৰ এই আৰ্হি সলনি কৰিছে আৰু বৰ্তমান চৰকাৰে নিজে হিতাধিকাৰীৰ কাষ চাপিবৈল লৈছে। তেওঁ কয় যে, চৰকাৰে নিজে জনসাধাৰণক গেছ ষ্টোভ, বিদ্যুৎ সংযোগ, পানী আৰু বিত্তীয় সাহাৰ্য প্ৰদান কৰি আছে। তেওঁ কয় যে, বিগত ১০ বছৰত ১০ কোটি মহিলাই মহিলা আত্মসহায়ক গোটত যোগদান কৰিছে আৰু আৰ্থিকভাৱে স্বাধীন হৈছে। তেওঁ কয় যে, মহিলাসকল আৰ্থিকভাৱে স্বাধীন হ'লে তেওঁলোক পৰিয়ালৰ সিদ্ধান্ত গ্ৰহণ ব্যৱস্থাৰো অংশ হয় আৰু ইয়াৰ ফলত সামাজিক পৰিৱৰ্তনৰ সূচনা হয়। বৰ্তমানলৈকে দেশৰ আত্মসহায়ক গোটসমূহক ৯ লাখ কোটি টকা প্ৰদান কৰা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে। প্ৰধানমন্ত্ৰীয়ে মহিলাৰ বিৰুদ্ধে সংঘটিত হিংসা আৰু অপৰাধৰ ঘটনাক লৈ উদ্বেগ প্ৰকাশ কৰে। তেওঁ কয় যে, এনে ঘটনাৰ ষড়যন্ত্ৰকাৰীসকলক শীঘ্ৰে শাস্তি প্ৰদান কৰা উচিত। তেওঁ কয় যে, সংবাদ মাধ্যমত ধৰ্ষণৰ ঘটনাৰ বহুল প্ৰচাৰ হয় যদিও দোষীসকলক প্ৰদান কৰা সাস্তিৰ বিশয়ে বিশেষ প্ৰচাৰ কৰা নহয়। তেওঁ কয় যে, অপৰাধীসকলক প্ৰদান কৰা শাস্তিৰ বিষয়ে ব্যাপকভাৱে প্ৰচাৰ হ'ব লাগে যাতে জনসাধাৰণে এনেধৰণৰ জঘন্য অপৰাধ সংঘটিত কৰিবলৈ ভয় কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, দেশত উমৈহতীয়া দেৱানী বিধিৰ পৰিৱৰ্তে ধৰ্মনিৰপেক্ষ দেৱানী বিধি বলৱৎ হোৱা উচিত। তেওঁ উন্নত ভাৰতবৰ্ষৰ সপোন বাস্তবায়িত কৰাৰ উদ্দেশ্যে এখন দেশ, এটা নিৰ্বাচনৰ বাবে আগবাঢ়ি আহিবলৈ ৰাজনৈতক দলসমূহৰ প্ৰতিআহ্বান জনায়। বৰ্তমান চৰকাৰে ফৌজদাৰী আইনসমূহৰ সংস্কাৰ সাধন কৰা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, শাস্তি নহয় বৰং নাগৰিকসকলক ন্যায় প্ৰদানৰ উদ্দেশ্যে নতুন ফৌজদাৰী তিনিখন ৰূপায়ণ কৰা হৈছে। তেওঁ লগতে জীৱন-ধাৰণ

সুগম কৰি তোলাৰ বাবে সকলো ক্ষেত্ৰত যুদ্ধকালীন তৎপৰতাৰে পদক্ষেপ ল'বলৈ চৰকাৰ আৰু জন প্ৰতিনিধিসকলৰ প্ৰতি আহ্বান জনায়। অত্যাধুনিক আন্তঃগাঁথনিৰ সৃষ্টি আৰু জীৱন ধাৰণ সূচল কৰণে দেশৰ প্ৰগতি ত্বৰান্বিত কৰিছে বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে। তেওঁ কয় যে, তৃতীয় লিংগৰ লোকসকলক সন্মানজনক জীৱন প্ৰদানৰ বাবে নতুন সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

প্ৰতিৰক্ষা সন্দৰ্ভত মত প্ৰকাশ কৰি শ্ৰী মোদীয়ে কয় যে, দেশ এইক্ষেত্ৰত আত্মনিৰ্ভৰশীল হৈ উঠিছে আৰু প্ৰতিৰক্ষা আহিলাপাতি নিৰ্মাণেৰে সুকীয়া পৰিচয় গঢ়ি তুলিবলৈ সমৰ্থ হৈছে। দেশ প্ৰতিগৰাকী শ্বহীদ আৰু স্বাধীনতা সংগ্ৰামীৰ ওচৰত চিৰ ঋণি বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। বালাংদেশ সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে কয় যে চুবুৰীয়া ৰাষ্ট্ৰ হিচাপে ভাৰত দেশখনৰ পৰিস্থিতিকলৈ উদ্বিগ্ন। তেওঁ দেশখনলৈ শীঘ্ৰে স্বাভাৱিক অৱস্থা ঘূৰি আহিব বুলি আশা প্ৰকাশ কৰে। ভাৰতীয় জনসাধাৰণ চুবুৰীয়া ৰাষ্ট্ৰখনত বাস কৰা হিন্দু আৰু সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলৰ সুৰক্ষাক লৈ উদ্বিগ্ন বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

শ্ৰী মোদীয়ে পৰৱৰ্তী ৫ বছৰত চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমৰ আৰু ৭৫ হাজাৰ আসন সৃষ্টি কৰা হ'ব বুলি ঘোষণা কৰে। বিগত ১০ বছৰত চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমৰ আসনৰ সংখ্য প্ৰায় এক লাখলৈ বৃদ্ধি কৰা হৈছে বুলি তেওঁ মন্তব্য কৰে। লালকীল্লাৰ প্ৰাচীৰৰ পৰা ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিয়াৰ পাছত প্ৰধানমন্ত্ৰীয়ে শিশু আৰু একাংশ দৰ্শকৰ সৈতে মত বিনিময় কৰে। ইয়াৰ আগেয়ে শ্ৰী মোদীয়ে ৰাজঘাটত জাতিৰ পিতা মহাত্মা গান্ধীলৈ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰে।

oooooooo

এটা নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠনে আজি গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ কেইবাটাও স্থানত বোমা সংস্থাপন কৰা বুলি দাবী কৰাক লৈ ৰাজ্যখনত আৰক্ষীয়ে তালাচী অভিযান তীব্ৰ কৰি তোলে। ইয়াৰ পাছতে বিভিন্ন স্থানত কটকটীয়া নিৰাপত্তা ব্যৱস্থা কৰা হয়। আৰক্ষীয়ে চলোৱা অভিযানত গুৱাহাটীৰ দুটা স্থানৰ লগতে ৰাজ্যৰ অন্য কেইবাটাও স্থানতো বোমা সদৃশ সামগ্ৰী উদ্ধাৰ কৰা হয়। শিৱসাগৰ জিলাতো দুটা স্থানত বোমা বুলি সন্দেহ কৰা সামগ্ৰী উদ্ধাৰ হৈছে। আৰক্ষীয়ে বোমা বিশেষজ্ঞৰ পৰ্যবেক্ষণৰ পাছতহে এইক্ষেত্ৰত নিশ্চিত হ'ব বুলি জানিবলৈ দিছে। আৰক্ষীয়ে তাৎক্ষণিকভাৱে গ্ৰহণ কৰা ব্যৱস্থাৰ ফলত ৰাজ্যৰ কোনো স্থানতে কোনোধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱা নাই। উল্লেখযোগ্য যে উগ্ৰপন্থী সংগঠন আলফা স্বাধীনে আজি গুৱাহাটী মহানগৰীৰ আঠটা স্থানৰ লগতে ৰাজ্যখনৰ ২০ টাৰো অধিক স্থানত বোমা সংস্থাপন কৰা বুলি এটা বিবৃতিযোগে দাবী কৰিছিল। ইপিনে, অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান জি পি সিঙে এইক্ষেত্ৰত কয় যে একেধৰণৰ বোমাসদৃশ সামগ্ৰী নলবাৰী, লখিমপুৰ আৰু নগাঁৱতো উদ্ধাৰ হৈছে আৰু সুৰক্ষিতভাৱে আঁতৰ কৰা হৈছে। এই সামগ্ৰী ফৰেণচিক পৰীক্ষাৰ বাবে পঠিওৱা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উগ্ৰপন্থীৰ এই কাৰ্যকলাপৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ পৰিৱেশ বিনষ্ট নকৰিবলৈ আলফাৰ সেনাপ্ৰধান পৰেশ বৰুৱাক আহ্বান জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অসমে বহু বছৰৰ মূৰত বৰ্তমান উন্নয়নৰ পথত অগ্ৰসৰ হৈছে আৰু এই ক্ষেত্ৰত ৰাজ্যত সুস্থ বিনিয়োগৰ পৰিৱেশ বৰ্তাই ৰখাটো অত্যন্ত জৰুৰী। মুখ্যমন্ত্ৰীয়ে আলোচনাৰ মাধ্যমেৰে সমস্যা সমাধানৰ বাবে আগবাঢ়ি আহিবলৈ সংগঠনটোক আহ্বান জনায়।

oooooooo

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ দপ্তৰৰ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় কীটনাশক তদাৰকী ব্যৱস্থা মুকলি কৰে। শ্ৰী চৌহানে এন পি এছ্ এছ্ এই ব্যৱস্থাৰ কথা উল্লেখ কৰি কয় যে, ইয়াৰ ফলত খেতিয়কসকলে তেওঁলোকৰ কৃষি সুৰক্ষাৰ বাবে বিভিন্ন ধৰণৰ কীটনাশক ব্যৱহাৰৰ বিষয়ে জানিব পাৰিব। আজিৰ অনুষ্ঠানত শ্ৰী চৌহানে কেন্দ্ৰীয় চৰকাৰে ৰূপায়ণ কৰা বিভিন্ন আঁচনিৰ সুবিধা লাভ কৰা ভালেমান কৃষকৰ সৈতে মত বিনিময় কৰে। অনুষ্ঠানত প্ৰায় পাঁচ হাজাৰ কৃষক উপস্থিতি থাকে। বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে ১০৯ বিধ অধিক উৎপাদনক্ষম, জলবায়ু অনুকূল আৰু জৈৱবৈচিত্ৰৰ লগত খাপ খোৱা শস্যৰ প্ৰজাতি মুকলি কৰি দিছে।

oooooooo

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কাইলৈৰ পৰা দুদিনীয়া ভ্ৰমণসূচীৰে তেলেংগানা আৰু অন্ধ্ৰপ্ৰদেশলৈ যাব। ভ্ৰমণৰ প্ৰথম দিনা শ্ৰী ধনখড়ে হায়দৰাবাদৰ কানহা শান্তি বনমলৈ যাব। দ্বিতীয় দিনা অন্ধ্ৰপ্ৰদেশত স্বৰ্ণ ভাৰত ন্যাসৰ ২৩ সংখ্যক বাৰ্ষিকীত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তেওঁ লগতে অকশৰা বিদ্যালয় চৌহদ আৰু দক্ষতা বিকাশ কেন্দ্ৰ আৰু মোপ্পাবাৰাপু ফাউণ্ডেচনৈ যাব।

oooooooo

সমাপ্ত